**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-02-2026
**Time :** 21-25 Hrs

# ASSAMESE  NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি যোৰহাট আৰু লখিমপুৰত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন  কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে ২৮ কোটি ৫০ লাখ টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা যোৰহাটৰ অসম মহিলা বিশ্ববিদ্যালয়ৰ নতুন চৌহদ মুকলি কৰে।  নাৰী শিক্ষাৰ ক্ষেত্ৰত মাইলৰ খুঁটি হিচাপে চিহ্নিত উত্তৰ-পূব ভাৰতৰ প্ৰথমখন মহিলা বিশ্ববিদ্যালয়ৰ উন্নত আন্তঃগাঁথনিয়ে ছাত্ৰীসকলক শৈক্ষিক দিশত উপকৃত কৰাৰ লগতে উচ্চ শিক্ষাৰে মহিলা সৱলীকৰণৰ লক্ষ্যক নতুন গতি প্ৰদান কৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। নতুন শিক্ষানীতিৰে পৰিচালিত বিশ্ববিদ্যালয়খনত ১৭টা বিভাগত ৪৪টা ডিগ্ৰী পাঠ্যক্ৰমৰ সুবিধা আছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।  ডঃ শৰ্মাই লগতে বিশ্ববিদ্যালয়খনৰ বাবে আৰু ৭৫ কোটি টকাৰ অনুদান ঘোষণা কৰে। এই অনুষ্ঠানৰ পৰাই মুখ্যমন্ত্ৰীগৰাকীয়ে আজি যোৰহাট চৰকাৰী আইন মহাবিদ্যালয়ৰ নতুন শৈক্ষিক ভৱন ভাৰ্চুৱেল ব্যৱস্থাৰে উদ্বোধন কৰে। তেওঁ লগতে ৯ কোটি টকা ব্যয়সাপেক্ষে গ্ৰাম্য আন্তঃগাঁথনি পুঁজিৰ অধীনত মৰিয়নিৰ চাহ বাগিচা অঞ্চলত নিৰ্মাণ কৰা দুখন আদৰ্শ বিদ্যালয় আৰু মহাদেৱ আগৰৱালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নতুন ভৱনো মুকলি কৰে।

ইয়াৰ পাছতে মুখ্যমন্ত্ৰীগৰাকী লখিমপুৰলৈ যায় আৰু তাত তেওঁ ৰাজ্যৰ ক্ৰীড়া ক্ষেত্ৰত নতুন মাত্ৰা সংযোজনেৰে নৱনিৰ্মিত লাভলীনা বৰগোহাঁই ক্ৰীড়া ক্ষেত্ৰ মুকলি কৰে। ডঃ শৰ্মাই এই ক্ষেত্ৰৰ পৰাই  ভাৰ্চুৱেল ব্যৱস্থাৰে জিলাখনৰ আন কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অহা ২৭ ফেব্ৰুৱাৰীত ২ নম্বৰ ৰাষ্ট্ৰীয় জলপথত কেইবাটাও গুৰুত্বপূৰ্ণ অন্তৰ্দেশীয় জলপথ আন্তঃগাথনি প্ৰকল্প উদ্বোধন কৰিব। ইয়াৰ ভিতৰত বগীবিল আৰু ধুবুৰীৰ সীমাশুল্ক আৰু ইমিগ্ৰেছন চৌহদ আৰু ডিব্ৰুগড়ৰ ঐতিহ্য ভৱন অন্যতম। এই প্ৰকল্পসমূহে অসমসহ সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাণিজ্য, পৰ্যটন আৰু যোগাযোগ ব্যৱস্থা অধিক সূদৃঢ় কৰিব বুলি আশা কৰা হৈছে। এই উপলক্ষে ডিব্ৰুগড়ৰ চৌকিদিঙি খেলপথাৰত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। মন্ত্ৰী বিমল বৰা, প্ৰশান্ত ফুকন, ডিব্ৰুগড় উন্নয়ন প্ৰাধিকৰণৰ  অধ্যক্ষ অসীম হাজৰিকাকে ধৰি কেইবাগৰাকী ব্যক্তিয়ে আজি অনুষ্ঠানস্থলী পৰিদৰ্শন কৰি যাৱতীয় প্ৰস্তুতিৰ বুজ লয়।

০০০০০

কাছাৰ জিলাৰ অতিৰিক্ত ছেছন ন্যায়াধীশৰ আদালতে আজি ২০০৪ চনৰ এটা হত্যাকাণ্ডৰ গোচৰত দোষী সাব্যস্ত হোৱা ৩ জন লোকক যাৱজ্জীৱন কাৰাদণ্ডৰ ৰায় দিয়ে। ন্যায়াধীশ বংকিম শৰ্মাৰ বিচাৰপীঠে শিলচৰৰ

জানিগঞ্জৰ কাপোৰৰ ব্যৱসায়ী ধনৰাজ চুৰাণা আৰু দুজন কৰ্মচাৰী ৰতন দেৱনাথ আৰু ৰিংকু দেৱক মুন্না মজুমদাৰ নামৰ চুৰাণা টেক্সটাইলত কৰ্মৰত এজন কৰ্মচাৰীক হত্যাৰ অপৰাধত এই শাস্তি বিহে। দীৰ্ঘদিনীয়া বিচাৰৰ অন্তত বাদি বিবাদি পক্ষৰ যুক্তিৰ ভিত্তিত আদালতে তিনিওজনকে দোষী সাব্যস্ত কৰে। তেওঁলোকক লগতে ২০ হাজাৰ টকাৰ জৰিমণাও বিহা হয়। জৰিমণা অনাদায়ে অতিৰিক্ত ছমাহ কাৰাদণ্ড ভুগিব লাগিব বুলি চৰকাৰী অধিবক্তাৰ উদ্ধৃতিৰে আমাৰ সংবাদদাতাই জনাইছে।

ooooo

সমগ্ৰ শিক্ষা বৰপেটাৰ উদ্যোগত আজি জিলা পুথিভড়াল প্ৰেক্ষাগৃহত জিলাখনৰ শ্ৰেষ্ঠ বিদ্যালয় পৰিচালনা সমিতি আৰু শ্ৰেষ্ঠ মাতৃগোটক বঁটা প্ৰদান কৰা হয়। সমগ্ৰ শিক্ষাৰ সহযোগী আঁচনি বিষয়া নাছিৰুদ্দিন আহমেদে আঁত ধৰা সভাখনত জিলাখনৰ প্ৰতিটো শিক্ষাখণ্ডৰ এখনকৈ বিদ্যালয়ৰ সভাপতি আৰু প্ৰধান শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক উত্তৰণৰ বাবে ল'বলগীয়া ব্যৱস্থা সন্দৰ্ভত বিশদভাৱে বক্তব্য আগবঢ়ায়। অনুষ্ঠানত লগতে বিদ্যালয় পৰিচালনা সমিতিসমূহক শৈক্ষিক পৰিৱেশ নিৰ্মাণ আৰু কিটচেন গাৰ্ডেন পাতি ছাত্ৰ-ছাত্ৰীসকলক ইয়াৰ ব্যৱহাৰিক জ্ঞান প্ৰদান সন্দৰ্ভতো আলোচনা কৰা হয়। আজিৰ অনুষ্ঠানত অবিভক্ত বৰপেটা জিলাৰ ২৩২ খন বিদ্যালয় পৰিচালনা সমিতিক শ্ৰেষ্ঠ বিদ্যালয় পৰিচালনা বঁটা আৰু ৪ খন বিদ্যালয়ৰ মাতৃগোটক উৎকৃষ্ট সেৱাৰ বাবে বঁটা প্ৰদান কৰা হয়।

ooooo

ধুবুৰী - ফুলবাৰী সংযোগী নিৰ্মীয়মান দলঙৰ পৰা প্ৰায় ছয় মেট্ৰিকটন ৰড আৰু কেব'ল চুৰিৰ ঘটনা সংক্ৰান্তত দক্ষিণ শালমাৰা আৰক্ষীয়ে আজি তিনিজন লোকক আটক কৰে। দলং নিৰ্মাণস্থলীৰ পৰা এই সামগ্ৰীসমূহ চুৰি হোৱা বুলি নিৰ্মাণকাৰী সংস্থাটোৱে এজাহাৰ দাখিল কৰাৰ পাছতে আৰক্ষীয়ে অভিযান চলাই চেবলটাৰী গাঁৱৰ পৰা হবিবুৰ ৰহমান, আব্দুল বাছিব আৰু ছাহিদুৰ ৰহমান নামৰ লোককেইজনক আটক কৰে। আৰক্ষীয়ে লগতে তেওঁলোকৰ ঘৰৰ পৰা চুৰি সামগ্ৰী সমূহো উদ্ধাৰ কৰে। আজি হাতশিঙিমাৰী জিলা আদালতত ধৃত লোককেইজনক হাজিৰ কৰোৱাৰ পাছত আদালতে তেওঁলোকক ধুবুৰী কাৰাগাৰলৈ প্ৰেৰণ কৰে।

ooooo

আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত কলম্বোৰ আৰ প্ৰেমাদাছা ষ্টেডিয়ামত অনুষ্ঠিত ছুপাৰ এইট পৰ্যায়ৰ এখন খেলত নিউজিলেণ্ডে - শ্ৰীলংকাক জয়ৰ বাবে ১৬৯ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। নিউজিলেণ্ডে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭ উইকেটৰ বিনিময়ত ১৬৮ ৰান সংগ্ৰহ কৰে।

প্ৰত্যুত্তৰত আমালৈ বাতৰি অহাৰ পৰলৈ শ্ৰীলংকাই ৬ অভাৰত ২ টা উইকেট হেৰুৱাই ২০ ৰান কৰি খেলি আছে।

ooooo

ঃঃ সমাপ্ত ঃঃ